# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-03-2025
**Time:** 1340 Hrs

## *Assamese Midday Bulletin*
### *Headlines*
*- - - - - - - - - - - - - - -*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিয়োগ সম্পৰ্কীয় এখন বাজেট পৰৱৰ্ত্তী ৱেবিনাৰত ভাগ ল'ব।

২। পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰফেচাৰ এছ পি সিং বাঘেল আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে আজি নতুন দিল্লীত পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ আদৰ্শ মহিলা বান্ধৱ গাঁও পঞ্চায়ত উদ্যম মুকলি কৰে।

৩। উদ্ভাৱন, বহনক্ষম বিকাশ, অন্তৰ্ভুক্তিকৰণ আৰু বিশ্বাস প্ৰযুক্তি প্ৰশাসনৰ ভাৰতীয় আদৰ্শৰ মূলমন্ত্ৰ বুলি যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে।

৪। ঝাৰখণ্ডৰ পশ্চিম সিংভূম জিলাত হোৱা এটা আই ই ডি বিস্ফোৰণত কেন্দ্ৰীয় চি আৰ পি এফৰ তিনিজন জোৱান গুৰুতৰভাৱে আহত হৈছে।

আৰু

৫। নিউজিলেণ্ড আজি লাহোৰত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিয়োগ সম্পৰ্কীয় এখন বাজেট পৰৱৰ্ত্তী ৱেবিনাৰত ভাগ ল'ব। ৱেবিনাৰখনত জনসাধাৰণত বিনিয়োগ, অৰ্থব্যৱস্থা আৰু উদ্ভাৱনৰ দৰে বিষয়সমূহে আগস্থান লাভ কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এটা সমাবেশতো ভাষণ দিব। বৰ্তমান চৰকাৰে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিত বিশেষ অগ্ৰাধিকাৰ দি আহিছে আৰু প্ৰধানমন্ত্ৰী মোদীৰ দৃষ্টিভংগীৰে অনুপ্ৰাণিত হৈ কৰ্মসংস্থাপনৰ  লগতে নিয়োগৰ সুযোগ সৃষ্টিৰ বাবে বিভিন্ন পদক্ষেপ লৈছে। এই ৱেবিনাৰখনে চৰকাৰ, উদ্যোগ, শিক্ষাবিদ আৰু জনসাধাৰণৰ মাজত সহযোগিতা বৃদ্ধি তথা পৰিৱৰ্তনশীল বাজেট ঘোষণাসমূহ ফলপ্ৰসূ কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাব। ৱেবিনাৰখনত বহনক্ষম আৰু সৰ্বাংগীন বিকাশৰ পথ প্ৰশস্তকৰণ, প্ৰযুক্তি আৰু অন্যান্য খণ্ডত নেতৃত্বৰ লগতে ২০৪৭ চনলৈ বিকশিত ভাৰতৰ লক্ষ্যক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত দক্ষ-সুস্থ কৰ্মশক্তি গঢ় দিয়াত বিশেষ গুৰুত্ব দিয়া হ'ব।

ooooo

পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰফেচাৰ এছ পি সিং বাঘেল আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে আজি নতুন দিল্লীত আয়োজিত এখন ৰাষ্ট্ৰীয় অভিৱৰ্তনত পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ আদৰ্শ মহিলা বান্ধৱ গাঁও পঞ্চায়ত উদ্যম মুকলি কৰে। মন্ত্ৰালয়ৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপনৰ অংশ হিচাপে এই উদ্যম

মুকলি কৰা হৈছে। এই উদ্যমৰ মূল উদ্দেশ্য হৈছে প্ৰতিখন জিলাত কমেও এখন আদৰ্শ মহিলা বান্ধৱ গাঁও পঞ্চায়ত স্থাপন কৰা। এই উদ্যমে লিংগ সংবেদনশীলতা আৰু কন্যা অনুকূল শাসন প্ৰথাৰ বাবে আশাৰ বন্তি ৰূপে পৰিগণিত হ'ব। বিভিন্ন মন্ত্ৰালয়, বিভাগ আৰু ৰাষ্ট্ৰসংঘৰ জনসংখ্যা কোষৰ লেখিয়া আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে এই এদিনীয়া কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে।

ooooo

উদ্ভাৱন, বহনক্ষম বিকাশ, অন্তৰ্ভুক্তিকৰণ আৰু বিশ্বাস প্ৰযুক্তি প্ৰশাসনৰ ভাৰতীয় আদৰ্শৰ মূলমন্ত্ৰ বুলি যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে। স্পেইনৰ বাৰ্ছিলোনাত আয়োজিত বিশ্ব মোবাইল সভাত ভাষণ দি শ্ৰীসিন্ধিয়াই দেশৰ প্ৰতিগৰাকী জনসাধাৰণলৈ সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত আধাৰ আৰু ভাৰতনেট ব্যৱস্থাৰ সফলতাৰ বিষয়ে আলোকপাত কৰে। উদ্ভাৱনৰ সৈতে নিয়ামক ব্যৱস্থাৰ সন্তুলন স্থাপনৰ উদ্দেশ্যে ভাৰতে চলোৱা প্ৰয়াসৰ চাৰিটা পৰ্যায়ৰ বিষয়েও তেওঁ উল্লেখ কৰে। ইয়াৰ ভিতৰত স্পেকট্ৰাম ব্যৱস্থাপনা, বজাৰৰ সুস্থিৰতা সুনিশ্চিত কৰা, বিভিন্ন প্ৰক্ৰিয়া সৰল কৰি তোলাৰ বাবে দূৰ সংযোগ নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰচলন আৰু গ্ৰাহকসকলৰ সুৰক্ষাৰ বাবে চাইবাৰ সুৰক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন অন্যতম বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। বিশ্ব মোবাইল সভাত শ্ৰীসিন্ধিয়াই ভাৰতীয় মোবাইল সভা আৰু ভাৰতীয় মণ্ডপ মুকলি কৰে। ভাৰতৰ দূৰ সংযোগ আহিলা নিৰ্মাণকাৰী ৩৮টা প্ৰতিষ্ঠানে এই সভাত ছফট্‌ৱেৰ আৰু হাৰ্ডৱেৰ উভয় অত্যাধুনিক সা-সামগ্ৰী প্ৰদৰ্শন কৰিছে।

ooooo

দেশত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ফেব্ৰুৱাৰী পৰ্যন্ত বাণিজ্যিক কয়লা খনিৰ পৰা ১৬ কোটি ৭০ লাখ টনৰো অধিক কয়লা উৎপাদন কৰা হৈছে। এই পৰিমাণ যোৱা বছৰৰ একেই সময়ছোৱাৰ ১২ কোটি ৬০ লাখ টনৰ তুলনাত প্ৰায় ৩২ শতাংশ অধিক। কয়লা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই সময়ছোৱাত কয়লাৰ সৰবৰাহো যথেষ্ট বৃদ্ধি পাইছে। ২০২৪-২৫ বৰ্ষৰ বাবে ১৭ কোটি টনৰো অধিক কয়লা সৰবৰাহ কৰা হৈছে আৰু এই পৰিমাণ যোৱা বছৰৰ ১২ কোটি ৮০ লাখ টনৰ তুলনাত যথেষ্ট বৃদ্ধি পাইছে। মন্ত্ৰালয়ে কৈছে যে ই বিদ্যুৎ, তীখা আৰু চিমেণ্টৰ লেখিয়া গুৰুত্বপূৰ্ণ খণ্ডসমূহলৈ কয়লাৰ সুস্থিৰ আৰু বাধাহীন যোগান সুনিশ্চিত কৰিবলৈ সমৰ্থ হৈছে। ৰাষ্ট্ৰৰ বিকাশ আৰু উন্নয়নত অৰিহণা যোগাব পৰা বহনক্ষম আৰু দক্ষ খয়লা খণ্ডৰ প্ৰতি চৰকাৰ বদ্ধপৰিকৰ বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ২ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'বলগীয়া পাৰস্পৰিক শুল্ক ৰূপায়ণৰ বিষয়ে ঘোষণা কৰি বাণিজ্য নীতিৰ ওপৰত তেওঁৰ চৰকাৰৰ স্থিতি শক্তিশালী কৰে। তেওঁ ইউৰোপীয়ান দেশসমূহৰ লগতে চীন, ভাৰত, দক্ষিণ কোৰিয়া আৰু ব্ৰাজিলক অত্যধিক শুল্ক গ্ৰহণৰ বাবে সমালোচনা কৰে।

আমেৰিকান কংগ্ৰেছৰ যুটীয়া অধিবেশনৰ উদ্বোধনী ভাষণত ট্ৰাম্পে কয় যে আন ৰাষ্ট্ৰই আমাৰ ওপৰত যিমান কৰ ল'ব আমিও সিমানেই কৰ আৰোপ কৰিম। আন ৰাষ্ট্ৰসমূহে বিগত কেইবা দশক ধৰি আমেৰিকাৰ বিৰুদ্ধে শুল্ক কৰ ব্যৱহাৰ কৰি আহিছে। আৰু এতিয়া আমেৰিকাই সেই ৰাষ্ট্ৰসমূহৰ বিৰুদ্ধে শুল্ক ব্যৱহাৰৰ সময় আহিছে বুলি ট্ৰাম্পে প্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে ইউৰোপীয়ান দেশ চীন, ব্ৰাজিল, ভাৰত, মেক্সিকো, কানাডাৰ লগতে আন বহুতো ৰাষ্ট্ৰই আমেৰিকাৰ ওপৰত অত্যধিক শুল্ক আৰোপ কৰি আহিছে, যিটো ন্যায়সংগত নহয়।

মুদ্ৰাস্ফীতিৰ প্ৰসংগত ট্ৰাম্পে পূৰ্বৰ চৰকাৰেও শতাধিক বিদ্যুৎ প্ৰকল্প বন্ধ কৰাৰ বাবে সমালোচনা কৰে। ইয়াৰে কেইবাটাও প্ৰকল্প পুনৰ আৰম্ভ কৰাৰ পৰিকল্পনাৰ কথাও তেওঁ প্ৰকাশ কৰে। দেশখনত সামাজিক সুৰক্ষাৰ সুবিধাসমূহ তেওঁৰ চৰকাৰৰ অধীনত কৰমুক্ত হৈ থাকিব বুলিও ট্ৰাম্পে জ্যেষ্ঠ নাগৰিকসকলক আশ্বাস প্ৰদান কৰে।

০০০০০

ঝাৰখণ্ডৰ পশ্চিম সিংভূম জিলাৰ জৰাইকেলা থানাৰ অধীনৰ বলিবা বনাঞ্চলত আজি হোৱা এটা আই ই ডি বিস্ফোৰণত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী চি আৰ পি এফৰ তিনিজন জোৱান গুৰুতৰভাৱে আহত হয়। আহত জোৱান তিনিজনক বনাঞ্চলৰ পৰা উদ্ধাৰ কৰি ইতিমধ্যে চিকিৎলয়ত ভৰ্তি কৰোৱা হৈছে। চি আৰ পি এফৰ অধীক্ষক আশুতোষ শেখৰে কৈছে যে আজি পুৱা তালাচী অভিযানৰ সময়ত আই ই ডি বিস্ফোৰণত বাহিনীটোৰ তিনিজন জোৱান আহত হোৱাৰ কথা নিশ্চিত কৰিছে। আহত জোৱানকেইজনক উন্নত চিকিৎসাৰ বাবে বিমানেৰে ৰাঁছীলৈ অনা হ'ব।

০০০০০

প্ৰতিবাদী কৃষকৰ সমদল ৰোধ কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰ সীমান্ত বন্ধ কৰি দিয়া হৈছে আৰু আৰক্ষী বাহিনী নিয়োগ কৰা হৈছে। চণ্ডীগড় আৰক্ষীয়ে কৃষকসকলক চহৰখনত প্ৰৱেশ কৰাৰ পৰা বাধা দিয়াৰ উদ্দেশ্যে পাঞ্জাবৰ সৈতে থকা সীমান্তত পৰ্যাপ্ত সুৰক্ষা ব্যৱস্থা কৰিছে। চণ্ডীগড় অভিমুখে আহি থকা কৃষকৰ কেইবাটাও সৰু সৰু গোটক ৰাজ্যখনৰ বিভিন্ন ঠাইত স্থাপন কৰা পহৰাচকীত বাধা প্ৰদান কৰা হৈছে। চণ্ডীগড় আৰক্ষীয়ে লগতে যাত্ৰীসকলক কেতবোৰ পথ এৰাই চলিবলৈ পৰামৰ্শ জাৰি কৰিছে। সোমবাৰে পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত সিং মানে কৃষক সংঘসমূহক তেওঁলোকৰ বিষয়সমূহৰ নিস্পত্তিৰ বাবে আলোচনাৰ বাবে আমন্ত্ৰণ জনাইছিল যদিও বৈঠক অমিমাংসিতভাৱে সমাপ্ত হৈছিল। পাঞ্জাবৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কৃষকসকলৰ সৈতে আলোচনাৰ দুৱাৰ সদায় মুকলি বুলি স্পষ্ট কৰি দিছে। তেওঁ লগতে প্ৰতিবাদৰ নামত জনসাধাৰণৰ কোনো ধৰণৰ অসুবিধা আৰু হাৰাশাস্তি হ'ব নালাগে বুলিও স্পষ্টভাৱে উল্লেখ কৰিছে।

০০০০০

ওড়িশাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজু পাটনায়কৰ জন্ম বাৰ্ষিকী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নেতাগৰাকীক স্মৰণ কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে বিজু পাটনায়কে জনসাধাৰণক সবলীকৰণেৰে ওড়িশাক উন্নয়নৰ দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ কথা সোঁৱৰে। বিজু পাটনায়কে জৰুৰীকালীন অৱস্থাৰ তীব্ৰ বিৰোধিতা কৰা কাৰ্যই নেতাগৰাকীক গণতন্ত্ৰৰ প্ৰমূল্যৰাজিৰ প্ৰতি থকা অভূতপূৰ্ব প্ৰতিশ্ৰুতিৰ কথাকে সূচায় বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

০০০০০

অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত আজি পুৱা প্ৰায় ১১ বাজি ৬ মিনিটত ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য আছিল ৫ দশমিক ৭। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূকম্পন বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে মণিপুৰৰ ছুংদাঙৰ পৰা ২৯ কিলোমিটাৰ নিলগত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল। ম্যানমাৰতো এই ভূমিকম্পৰ জোকাৰণি অনুভূত হোৱা বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ ফলত এতিয়ালৈকে ধন-জন হানি হোৱাৰ বাতৰি পোৱা হোৱা নাই।

০০০০০

নিউজিলেণ্ড আজি পাকিস্তানৰ লাহোৰত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। আজিৰ খেলখনৰ বিজয়ী দলটোৱে দেওবাৰে হ'বলগীয়া ফাইনেলত ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, ভাৰতে কালি ডুবাইত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে ২৬৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৮ অ'ভাৰ আৰু এটা বলত ছটা উইকেট হেৰুৱাই ২৬৭ ৰান সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অ'ভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৬৪ ৰাণ কৰে।

ooooo

জামছেদপুৰত আজি হ'বলগীয়া আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত জামছেদপুৰ ফুটবল ক্লাব ওড়িশাৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

গোৱাই যোৱা নিশা জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত মহম্মদান স্পোৰ্টিছ ক্লাবক ২-০ গ'লত পৰাস্ত কৰে। উল্লেখযোগ্য যে গোৱা আৰু মোহন বাগান ছুপাৰ জায়েণ্টে ইতিমধ্যে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

সমাপ্ত